## সান্ত্বনা বৰুৱা সোঁৱৰণী স্বৰচিত কবিতা প্ৰতিযোগিতাৰ ফলাফল

# কটন বিশ্ববিদ্যালয়ৰ ছাত্ৰ অংকুৰজ্যোতি শৰ্মাৰ প্ৰথম স্থান লাভ

**গুৱাহাটী, ১৯ ছেপ্টেম্বৰ ঃ** গুৱাহাটীৰ কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত আৰু সান্ত্বনা বৰুৱাৰ পৰিয়ালৰ সহযোগত গীতিকবি পাৰ্বতিপ্ৰসাদ বৰুৱাৰ জীয়ৰী, লেখিকা, কবি সান্ত্বনা বৰুৱা সোঁৱৰণী স্বৰচিত কবিতা প্ৰতিযোগিতাখন অলপতে অনলাইনযোগে অনুষ্ঠিত হৈ যায়। অসমৰ বিভিন্ন জিলাৰ স্নাতক আৰু স্নাতকোত্তৰ শ্ৰেণীৰ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰা প্ৰতিযোগিতাৰ ফলাফল ঘোষণা কৰা হৈছে। ৰাজ্যৰ দুগৰাকী বিশিষ্ট কবিৰ বিচাৰত এই প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰ লাভ কৰিছে কটন বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ শাখাৰ ছাত্ৰ অংকুৰজ্যোতি শৰ্মাই, দ্বিতীয় স্থান লাভ কৰিছে দিছপুৰ মহাবিদ্যালয়ৰ ছাত্ৰ চন্দন কলিতাই, তৃতীয় স্থান লাভ কৰিছে বিশ্ববিদ্যালয় আইন মহাবিদ্যালয়ৰ ছাত্ৰ অচ্যুত প্ৰাণ বৈদ্যই। প্ৰতিযোগিতাখনত উদগনিমূলক পুৰস্কাৰ লাভ কৰিছে ক্ৰমে কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ ছাত্ৰ মিণ্টুমণি দাস আৰু কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ৰ ছাত্ৰ বিযুজ্যোত বৰাই। সান্ত্বনা বৰুৱা সোঁৱৰণী স্বৰচিত কবিতা প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰত আছে ৭,০০০/- টকা, দ্বিতীয় পুৰস্কাৰ ৫,০০০/- টকা, তৃতীয় পুৰস্কাৰ ৩,০০০/- টকা আৰু উদগনিমূলক পুৰস্কাৰত আছে ১,৫০০/- টকা। বঁটাসমূহ প্ৰদান কৰে প্ৰয়াত সান্ত্বনা বৰুৱাৰ তিনিগৰাকী জীয়ৰী ক্ৰমে সংঘমিত্ৰা দাস, আমেৰিকাৰ ডেলৱেৰ বিশ্ববিদ্যালয়ৰ অধ্যাপিকা মহাশ্বেতা বৰুৱা আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপিকা ড° পাৰমিতা দাসে। বিজয়ীসকলক মানপত্ৰ আৰু বঁটা অনলাইনযোগে আগবঢ়োৱা হ'ব। কৰ্মশ্ৰী হিতেশ্বৰ শইকীয়া মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শিখামণি কোঁৱৰে এই কথা সদৰী কৰিছে।